بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## ফাতাহ মক্কাৰ যুদ্ধৰ আলোকত আঁহজৰত (ছাঃ)ৰ ঈমান উদ্দীপক বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৪ জুলাই ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهُ لَا شَرِيۡكَ لَهُ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهُ وَرَسُوۡلُهُ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَاِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَلَا الضَّآلِّیۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, মক্কাৰ বিজয় সন্দৰ্ভত মক্কাত প্ৰৱেশ হোৱাৰ পৰিস্থিতি সম্পৰ্কে যোৱা খোতবাত বৰ্ণনা হৈ আছিল। ইয়াৰ বিস্তাৰিত বিৱৰণ এইদৰে, ইবনে ইছহাকে লিখিছে যে আবু ছুফিয়ান খোদাৰ সেনা বাহিনী প্ৰত্যক্ষ কৰি ওভতি গৈছিল।

আঁহজৰত (ছাঃ)য়ে নিজে আৰোহণ কৰি আহিছিল। ইবনে ছাআদে লিখিছে যে তেখেত (ছাঃ)য়ে নিজৰ উট কছুৱাৰ ওপৰত আৰোহণ হৈ হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উছৈয়দ বিন হজিৰ (ৰাঃ)ৰ মাজত আছিল। আঁহজৰত (ছাঃ)য়ে সেই সময়ত ছুৰা ফাতাহ পাঠ কৰি আছিল। যেতিয়া তেখেত (ছাঃ)য়ে মক্কাত প্ৰৱেশ কৰে তেতিয়া লোকসকলে তেখেত (ছাঃ)ক স্বাগতম জনোৱাৰ বাবে উপস্থিত হয়. বিনম্ৰতাৰ কাৰণে তেখেত (ছাঃ)ৰ মূৰখন নিজৰ উটৰ কুঁজলৈ স্পৰ্শ কৰি আছিল। তেখেত (ছাঃ)য়ে ক'লা বৰণৰ পাগুৰী পিন্ধি আছিল, তেখেতৰ পতাখনো ক'লা আছিল। তেখেত (ছাঃ)য়ে এই বাক্য কৈ আছিল যে **আল্লাহুম্মা ইন্নাল আয়শা আয়শুল আখিৰাহ**। হে আল্লাহ ! আচল জীৱন আখিৰাতৰ জীৱন হয়। ন্যায়ৰ আৰু এটা দিশ আছিল যে তেখেত (ছাঃ)য়ে নিজৰ পিছফালে স্বাধীন কৰা কৃতদাস হজৰত জায়েদ বিন হাৰশা (ৰাঃ)ৰ ল'ৰা উছামা বিন জায়েদ (ৰাঃ)ক বহাই ৰাখিছিল। তেখেত ২০ ৰমজান মাহত মক্কাত প্ৰৱেশ কৰে, সেই সময়ত সূৰ্য কেৱল উদয় হৈছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে এই মৰ্যাদা খোদা তা'লাৰ বিশেষ ভৃত্যসকলক প্ৰদান

কৰা হয়, সেয়া প্ৰতিফলনৰ ৰঙত হয়, চয়তানৰ মৰ্যাদা কেৱল অহংকাৰেৰে পৰিপূৰ্ণ আছিল। চাওক, আমাৰ নবী কৰিম (ছাঃ)য়ে যেতিয়া মক্কা বিজয় কৰিছিল তেতিয়া তেখেত (ছাঃ) য়ে সেইদৰে নিজৰ মূৰ জোকাৰিছিল আৰু ছিজদা কৰিছিল যিদৰে তেখেত বিপদ আৰু অসুবিধাৰ দিনবোৰতে নিজৰ মূৰ জোকাৰিছিল আৰু ছিজদা কৰিছিল, অথচ সেই মক্কাতেই তেখেতক সকলো ধৰণৰ বিৰোধীতা কৰি দুখ দিছিল। তেখেত (ছাঃ)য়ে যেতিয়া দেখিব পাৰিলে যে মই ইয়াৰ পৰা কেনে অৱস্থাত গৈছিলো আৰু কেনে অৱস্থাত ইয়াত আহি পাইছো, এনে পৰিস্থিতিত তেখেতৰ হৃদয় খোদা তা'লাৰ ধন্যবাদেৰে ভৰি পৰে আৰু খোদা তা'লাৰ চৰণত ছিজদা কৰে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে যেতিয়া তেখেত (ছাঃ)য়ে মক্কাত প্ৰৱেশ কৰে তেতিয়া লোকসকলে তেখেত (ছাঃ)ক সুধে যে আপুনি ক'ত অৱস্থান কৰিব ? তেখেত (ছাঃ)য়ে কয় যে আকিলে আমাৰ বাবে কোনো ঘৰ এৰিছে নে ? অৰ্থাৎ মোৰ আত্মীয়সকলে মোৰ সকলোবোৰ সম্পত্তি বিক্ৰি কৰি খাই পেলাইছে। আকৌ কয় যে আমি খায়েফ বনি কিনানাৰ তাতে অৱস্থান কৰিম। এইটো মক্কাৰ এটা পথাৰ আছিল য'ত কুৰাইছ আৰু বনি কিনানাই উভয়ে শপত খাইছিল যে যেতিয়ালৈকে বনু হাশিম আৰু বনু আব্দুল মুতালিবে মহম্মদ (ছাঃ)ক ধৰি আমাৰ অধীন নকৰে আৰু তেখেতৰ লগ নেৰে তেতিয়ালৈকে আমি তেখেতৰ সৈতে বিয়া-বাৰুৰ সম্পৰ্ক স্থাপন নকৰো আৰু ক্ৰয় বিক্ৰয়ো নকৰো।

তেখেত (ছাঃ)য়ে দিনৰ কিছু অংশ নিজৰ শিৱিৰত অৱস্থান কৰিলে, ইয়াৰ পিছত নিজৰ উট কছুৱা মাতি আনি অস্ত্ৰ পৰিধান কৰি উটৰ ওপৰত আৰোহণ কৰে, তেখেত (ছাঃ)ৰ লগত হজৰত আবু বক্কৰ (ৰাঃ) আছিল আৰু তেখেত (ছাঃ)য়ে তেওঁৰ লগত কথা-বতৰা পাতি আছিল।

হুজুৰ (ছাঃ)য়ে যেতিয়া মক্কাত প্ৰৱেশ কৰে তেতিয়া খানা কাবাৰ আশে-পাশে ৩৬০ টা প্ৰতিমা আছিল। ইয়াৰ মাজত হুবল সকলোতকৈ বেছি ডাঙৰ আছিল। তেখেত (ছাঃ)ৰ হাতত ধেনু আছিল। তেখেত (ছাঃ)য়ে যেতিয়া কোনো প্ৰতিমাৰ কাষেদি পাৰ হৈছিল তেতিয়া মূৰ্তিৰ চকুত ধেনুৰে আঘাত কৰি কৈছিল যে **জাআল হাক্কু ওৱা জাহাকাল বাতিলু, ইন্নাল বাতিলা কানা জাহুকা**। অৰ্থাৎ সত্য আহি গৈছে আৰু মিছা পলায়ন কৰিছে, নিশ্চয় মিছা পলায়ন কৰিবলগীয়া।

তেখেত (ছাঃ)য়ে খানা কাবাৰ ওচৰত গৈ সেয়া প্ৰত্যক্ষ কৰে আৰু নিজৰ আৰোহণৰ সৈতে আগবাঢ়ি গৈ নিজৰ তৰোৱালেৰে হাজৰে আছৱাদক স্পৰ্শ কৰি আল্লাহু আকবৰ কয়। মুছলমান সকলেও তকবিৰৰ ধ্বনি উচ্চ কৰে তথা মক্কাৰ বাতাবৰণত তকবিৰৰ প্ৰতিধ্বনি উচ্চ হ'ব ধৰিলে তেতিয়া তেখেত (ছাঃ)য়ে চাহাবাসকলক নিষেধ কৰে। কাফিৰসকলে পাহাৰৰ ওপৰৰ পৰা এই দৃশ্য চাই আছিল, তেখেত (ছাঃ)য়ে বায়তুল্লাহৰ প্ৰদিক্ষণ কৰে, হজৰত মহম্মদ বিন মুছলিমাহ (ৰাঃ)য়ে তেখেত (ছাঃ)ৰ উটৰ নকিল ধৰি আছিল। তেখেত (ছাঃ)য়ে নিজৰ আৰোহণৰ পৰা অৱতৰণ কৰে। এটা বৰ্ণনাত আছে যে হুজুৰ (ছাঃ)য়ে হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ক আদেশ দিয়ে যে তেওঁ খানা কাবালৈ যাওঁক আৰু তাতে থকা সকলোবোৰ ছবি মুচি পেলোৱা। যেতিয়ালৈকে খানা কাবাৰ সকলোবোৰ ছবি মুচি পেলোৱা নাছিল তেতিয়ালৈকে তেখেত (ছাঃ)য়ে তাতে প্ৰৱেশ কৰা নাছিল। তেখেত (ছাঃ)য়ে মকামে ইব্ৰাহিমত গৈ উপস্থিত হৈ তাতে দুই ৰাকাত নামাজ পঢ়ে। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে জমজম কোঁৱাৰ ওচৰলৈ যায়। হজৰত আববাছ বিন আব্দুল মুতাল্লিব (ৰাঃ) বা হজৰত আবু ছুফিয়ান বিন হাৰিছ বিন আব্দুল মুতাল্লিব (ৰাঃ)য়ে এক বালটি পানী উলিয়ায়, তেখেত

(ছাঃ)য়ে সেই পানী পান কৰে আৰু অজু কৰে।

চাহাবা সকলে ততাতৈয়াকৈ তেখেত (ছাঃ)ৰ অজুৰ পানীৰে নিজৰ হাতৰ তলুৱাত লৈ সেই পানী নিজৰ চেহেৰাত লৈ আছিল। কাফিৰসকলে এই দৃশ্য চাই আছিল, তেওঁলোকে আশ্চৰ্য হৈ ক'ব ধৰিলে আমি এনেকুৱা ডাঙৰ বাদশ্বাহৰ বিষয়ে শুনা নাই আৰু দেখাও নাই।

যেতিয়া হুবল মূৰ্তিটো ভাঙি পেলোৱা হয় তেতিয়া হজৰত জুবেৰ বিন আৱাম (ৰাঃ)য়ে আবু ছুফিয়ানক কয় যে হুবলক ভাঙি পেলোৱা হৈছে। তুমি উহুদৰ দিনা হুবলৰ নাম লৈ বৰ গৌৰৱ কৰি আছিলা। আবু ছুফিয়ানে কলে হে ইবনে আৱাম! এতিয়া এইবোৰ কথা এৰি দিয়া কিয়নো মই জানিব পাৰিছো যে যদি মহম্মদ (ছাঃ)ৰ খোদাৰ বাহিৰে অইন কোনো উপাসক থাকিলেহেঁতেন তেন্তে আজি যিটো হৈ আছে এনেকুৱা নহ'লহেঁতেন।

ইয়াৰ পিছত আঁহজৰত (ছাঃ)য়ে খানা কাবাৰ এটা প্ৰান্তত বহি যায় আৰু লোকসকলে তেখেত (ছাঃ)ৰ চাৰিওফালে একত্ৰিত হয়। হজৰত আবু বক্কৰ (ৰাঃ)য়ে সেই মুহূৰ্ততে তৰোৱাল ধাৰণ কৰি তেখেত (ছাঃ)ৰ সৈতে থিয় হৈ আছিল। হুজুৰ (ছাঃ)য়ে উছমান বিন তালহা (ৰাঃ)ক মাতি কলে যে খানা কাবাৰ চাবি মোৰ ওচৰলৈ লৈ অহা। তেওঁ নিজৰ মাতৃৰ ওচৰলৈ গৈ চাবি বিচৰাত তেওঁৰ মাতৃৱে চাবি দিবলৈ অস্বীকাৰ কৰে, তেতিয়া হজৰত উছমান বিন তালহা (ৰাঃ)য়ে তাইক কয় যে তুমি যদি চাবি নিদিয়া তেন্তে এই তৰোৱালখন তোমাৰ পিঠিৰ ওপৰত ধাৰণ কৰি আঘাত হানা হ'ব। তেওঁৰ মাতৃৱে চাবিখন দি দিয়ে। তেওঁ চাবিখন লৈ আঁহজৰত (ছাঃ)ৰ ওচৰলৈ আহে তেতিয়া তেখেত (ছাঃ)য়ে চাবিখন তেওঁক উভতাই দি দিয়ে আৰু তেওঁ দুৱাৰখন খুলে। আঁহজৰত (ছাঃ)য়ে উছামা বিন জায়েদ (ৰাঃ)ক আৰু বিলাল বিন ৰাবাহা (ৰাঃ)ক লগতে লৈ খানা কাবাৰ ভিতৰত প্ৰৱেশ কৰে। খানা কাবাৰ ভঁৰাল, উছমান বিন তালহা (ৰাঃ)য়ো লগতে আছিল। তেখেত (ছাঃ)য়ে খানা কাবাৰ দুৱাৰখন বন্ধ কৰি দীৰ্ঘ সময়লৈকে তাতে থাকি দুই ৰাকাত নামাজ পঢ়ে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে এই কথা মনত ৰাখিব যে যিদৰে বায়তুল্লাহত হাজৰে আছৱাদ পৰি আছিল এইদৰেই অন্তৰতো এই কথা আছিল। বায়তুল্লাহত এনে এটা সময় আহি পৰিছিল যে তাতে প্ৰতিমা সমূহ ৰখা হৈছিল। সম্ভৱত বায়তুল্লাহত এনে সময় যদি নাহিলেহেঁতেন, কিন্তু নহয় ! আল্লাহ তা'লাই সেয়া দৃষ্টান্তস্বৰূপ ৰাখিছিল। মানুহৰ অন্তৰো হাজৰে আছৱাদৰ নিচিনাই, সেয়া হৃদয়ত স্থান দিয়া বায়তুল্লাহৰ সৈতেও সাদৃশ্য ৰাখে। আল্লাহৰ বাহিৰে খানা কাবাৰ ভিতৰত যি ৰখা হৈছিল সেই ধাৰণাও এক ধৰণৰ মূৰ্তি। পৱিত্ৰ মক্কাত প্ৰতিমাসমূহৰ সেই সময়ত অন্ত পৰিছিল যেতিয়া আমাৰ নবী কৰিম (ছাঃ)য়ে দহ হাজাৰ চাহাবাৰ এটা জামাতৰ সৈতে মক্কাত প্ৰৱেশ কৰিছিল আৰু মক্কা বিজয় হৈছিল। সেই দহ হাজাৰ চাহাবাক আগৰ গ্ৰন্থসমূহত ফিৰিস্তা বুলি নাম ৰখা হৈছে। প্ৰকৃততে তেওঁলোকৰ মৰ্যাদা ফিৰিস্তাৰ দৰেই আছিল। মানুহৰ শক্তিও এক ধৰণৰ ফিৰিস্তাৰ দৰে মৰ্যাদাপূৰ্ণ; কিয়নো যিদৰে ফিৰিস্তাৰ এই মৰ্যাদা যে **ইয়াফআলুনা মা ইউমাৰুন**, এইদৰে মানুহৰ শক্তিৰ এইটো বৈশিষ্ট্য আছে যে যি আদেশ তেওঁলোকক দিয়া হয় সেয়া পালন কৰে।

মক্কা বিজয়ৰ সময়ত তেখেত (ছাঃ)য়ে কুৰাইছসকলক কৈছিল যে হে কুৰাইছ! তোমালোকে ধাৰণা কৰানে যে মই তোমালোকৰ সৈতে কি আচৰণ কৰিম ? কুৰাইছসকলে কয় যে যি আচৰণ কৰিবা সেয়া উত্তম আচৰণেই কৰিবা, আপুনি প্ৰিয় ভাতৃ আৰু প্ৰিয় ভাতৃসকলৰ সন্তান। তেখেত (ছাঃ)য়ে কয় যে তোমালোক সকলোৱে স্বাধীন। লোকসকলে সাৰ্বজনিন ক্ষমাৰ ঘোষণা শুনি এইদৰে

ওলাই পৰিল যেনে কবৰৰ পৰা ওলাই আহিল, ইয়াৰ পিছত তেওঁলোকে ইছলাম গ্ৰহণ কৰিব ধৰিলে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে ...সকলো কাফিৰসকলক গ্ৰেপ্তাৰ কৰি তেখেত (ছাঃ)ৰ সন্মুখত উপস্থিত কৰা হয়, কাফিৰসকলে নিজেই এই কথা স্বীকাৰ কৰে যে আমি নিজৰ অপৰাধৰ বাবে হত্যাৰ যোগ্য, এতিয়া আমি নিজকে আপোনাৰ দয়াৰ অধীনস্থ কৰো, তেখেত (ছাঃ)য়ে সকলোকে ক্ষমা কৰি দিয়ে। হুজুৰ (ছাঃ)য়ে আন ঠাইত কৈছে যে যদিও তেওঁলোকক শাস্তি দিয়া হ'লহেঁতেন তথাপি সেয়া ন্যায় আছিল কিন্তু তেখেত (ছাঃ)য়ে ক্ষমা আৰু দয়াৰ আদৰ্শ দেখুৱালে। এইটো সেই বিষয় আছিল যে চাহাবা সকলৰ ওপৰত এক প্ৰকাৰ অলৌকিকতাৰ প্ৰভাৱ আছিল সেই কাৰণে তেখেতৰ নাম মহম্মদ (ছাঃ)হৈ গৈছিল। তেখেত (আঃ)য়ে কৈছে যে যেতিয়ালৈকে মানুহে এই ধৰণৰ চৰিত্ৰ নিজৰ মাজত সৃষ্টি নকৰিব তেতিয়ালৈকে একোৱে লাভ নাই। যেতিয়ালৈকে আল্লাহ তা'লাৰ প্ৰতি সম্পূৰ্ণৰূপে ভালপোৱা নিজৰ হৃদয়ত সৃষ্টি কৰিব নোৱাৰে যেতিয়ালৈক নবী কৰিম (ছাঃ)ৰ চৰিত্ৰক কাৰ্যক্ষেত্ৰলৈ নেনানে। **আল্লাহুম্মা চাল্লি আলা মুহাম্মাদিন ওৱা আলে আলে মুহাম্মদ।** হুজুৰ কৈছে যে বাকী ঘটনা পৰৱৰ্তীত বৰ্ণনা কৰম।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে ছৈয়দা লাবনা চাহিবা ছৈয়দ মৌলুদ আহমদ চাহাবৰ স্ত্ৰীৰ সদগতিৰ কথা উল্লেখ কৰি কয় যে তাই আছিল চাহাবজাদী উম্মাতুল হাকিম বেগম চাহিবা আৰু ছৈয়দ দাউদ মুজাফফ্ৰ চাহাবৰ বোৱাৰী। কৈছে তাইৰ বিয়া হজৰত খলিফাতুল মছীহ তৃতীয়ই পঢ়াইছিল, উপদেশ দি কৈছিল যে স্বামী স্ত্ৰীৰ সম্পৰ্ক এটা মিল থকা গছৰ নিচিনা যাক প্ৰাৰম্ভিকতে বৰ যত্ন কৰি ৰখা হয়। কোৰআন কৰিমৰ নিৰ্দেশ অনুসৰি এই সম্পৰ্কক সহজ সৰল কথাৰ সূতাৰে বান্ধা উচিত তেতিয়াহে ইয়াৰ সুৰক্ষা হ'ব পাৰিব। এই সম্পৰ্ক কেৱল স্বামী স্ত্ৰীৰ মাজতেই সীমিত নহয় বৰং তেওঁলোকৰ বংশধৰৰ মাজত আৰু তেওঁলোকৰ বন্ধু-বান্ধৱৰ মাজত সৃষ্টি কৰা উচিত; কিয়নো বহু বেয়া সন্দেহৰ ফলত সৃষ্টি হয় বা কাৰো বদনাম কৰাৰ ফলত সৃষ্টি হয় বা খঙৰ কাৰণে সৃষ্টি হয়, এইবোৰত বাধা দিয়াৰ বাবে সহজ সৰল কথা বহু শক্তিশালী সূতা হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে মই ক'ব পাৰো যে তাই আত্মীয় আছিল আৰু হজৰত খলিফাতুল মছীহ তৃতীয় (ৰহঃ)ৰ সেই শব্দাৱলীক মাননীয়া লাবনা চাহিবাই নিজৰ আত্মীয়ৰ সপক্ষে পালন কৰাৰ চেষ্টা কৰিছে।

হুজুৰে কৈছে যে এই গৰাকী মহিলা মোৰ ভাতৃৰ ভাবি আছিল। এইদৰে হুজুৰ আনোৱাৰ (আইঃ)য়ে মাননীয়া নাজমুন বিবি জুবেৰ চাহিবা মহম্মদ শ্বফি জুবেৰ চাহিবাৰ স্ত্ৰী জাৰ্মানৰ সদগতিৰ কথা উল্লেখ কৰি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে আৰু উভয়ৰে সদগতি আৰু মৰ্যাদা উন্নতিৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

# BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................................

..................................................................................................................................

..................................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB